GAS S3 01 (M/P)

অসমীয়া ব্যাকৰণ

তৃতীয় ষাণ্মাসিক

অসমীয়া

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° সেউজী শর্মা গুৱাহাটী বিশ্ববিদ্যালয়
২	চম্পা পাটগিৰি, আর্য বিদ্যাপীঠ মহাবিদ্যালয় ড° মিলন নেওগ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
৩	চম্পা পাটগিৰি, আর্য বিদ্যাপীঠ মহাবিদ্যালয় ড° অপূর্ব কুমাৰ ডেকা, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
৪, ৫, ৬	গোলাপ সুত, প্রাগজ্যোতিষ মহাবিদ্যালয় ড° মৃণাল জ্যোতি গোস্বামী
৭	ড° স্মৃতিৰেখা ভূঞা গুৱাহাটী মহাবিদ্যালয়
৮	ড° মনালিচা বৰা, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয় ড° মৃণাল জ্যোতি গোস্বামী

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড° স্মৃতিৰেখা ভূঞা, গুৱাহাটী মহাবিদ্যালয় ড° মৃণাল জ্যোতি গোস্বামী (কেৱল অধ্যায় ৭)
গাঁথনিক সম্পাদনা	ঃ	ড° মৃণাল জ্যোতি গোস্বামী
আর্হি কাকত	ঃ	ড° জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ব্যাকৰণৰ সাধাৰণ পৰিচয়** **৭-২১**

ব্যাকৰণ ঃ ব্যাকৰণৰ বুৎপত্তিগত অর্থ, ব্যাকৰণৰ সংজ্ঞা, পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ; ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব; ব্যাকৰণৰ শ্রেণীবিভাগ; ব্যাকৰণৰ উপাদান; অসমীয়া ব্যাকৰণৰ ইতিহাস

অধ্যায় ২ ঃ **ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়** **২২-৩৪**

ধ্বনি — সাধাৰণ পৰিচয়; বাগিন্দ্রিয়; স্বৰ আৰু ব্যঞ্জনধ্বনি; বিশিষ্ট ধ্বনি আৰু উপধ্বনি

অধ্যায় ৩ ঃ **অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব** **৩৫-৫১**

অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি, অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি; অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি

অধ্যায় ৪ ঃ **ৰূপতত্ত্ব — সাধাৰণ পৰিচয়** **৫২-৬৩**

ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় ৫ ঃ **ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ১** **৬৪-৭৬**

ৰূপতত্ত্বৰ কেইটামান দিশ; অসমীয়া ভাষাৰ ৰূপতত্ত্ব

অধ্যায় ৬ ঃ **অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ২** **৭৭-৯৮**

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ ঃ বচন, লিংগ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্রিয়া

অধ্যায় ৭ ঃ **অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনা** **৯৯ -১১৭**

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয়; বাংলা ভাষাৰ ধ্বনিতত্ত্ব; উড়িয়া ভাষাৰ ধ্বনিতত্ত্ব; অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক বিচাৰ

অধ্যায় ৮ ঃ **অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনা** **১১৮ -১৩৬**

বাংলা ভাষাৰ ৰূপতত্ত্ব; উড়িয়া ভাষাৰ ৰূপতত্ত্ব; অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ

প্রসঙ্গ পুথি **১৩৭-১৩৯**

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া ব্যাকৰণ

এই পাঠ্যবিষয়খন ঐচ্ছিক আৰু প্ৰধান অসমীয়াৰ তৃতীয় পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়খনত ব্যাকৰণ আৰু অসমীয়া ব্যাকৰণৰ ইতিহাস তথা অসমীয়া ভাষাৰ গাঁথনিক দিশৰ কেইটামান উপাদানৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। লগতে দুটা অধ্যায়ত অসমীয়া ভাষাৰ ৰূপতত্ত্ব আৰু ধ্বনিতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক আলোচনাও সন্নিৱিষ্ট কৰা গৈছে।

কোনো এটা ভাষা শুদ্ধকৈ লিখিব আৰু ক'বৰ বাবে সেই ভাষাটোৰ গঠন পদ্ধতিৰ প্ৰণালীৱদ্ধ অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হয়। এই প্ৰণালীৱদ্ধ অধ্যয়নৰ ভাষাবৈজ্ঞানিক বৰ্ণনাই হৈছে সেই ভাষাৰ ব্যাকৰণ। অধ্যয়ন পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি ব্যাকৰণ ৰচনা কৰা পদ্ধতিক কেইবাটাও ভাগত ভাগ কৰা হৈছে। বেপ্তিষ্ট মিছনেৰী উইলিয়াম ৰবিন্সনে ১৮৩৯ চনত ৰচনা কৰা *Grammar of the Asamese Language* খনেই হৈছে প্ৰথম অসমীয়া ব্যাকৰণ। ইয়াৰ পাছৰে পৰা বৰ্তমানলৈকে বিভিন্ন পণ্ডিতে বিবিধ পদ্ধতি অৱলম্বন কৰি অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছে। ব্যাকৰণ এখনৰ লগত জড়িত হৈ থাকে ইয়াৰ উপাদানসমূহ, অৰ্থাৎ — ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক উপাদানসমূহ। ভাষা এটাৰ গাঁথনিক দিশৰ জ্ঞান আহৰণৰ বাবে এই বিষয়সমূহ অধ্যয়ন কৰাটো অপৰিহাৰ্য। এই পাঠ্যবিষয়খনত ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে অসমীয়া ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। লগতে অসমীয়া ৰূপতত্ত্বৰ কেইটিমান উল্লেখযোগ্য উপাদান — পদ, বচন, লিঙ্গ, কাৰক, বিভক্তি আৰু প্ৰত্যয় সম্পৰ্কে বিস্তৃত আলোচনা কৰা গৈছে। এই পাঠ্যবিষয়খনত ব্যাকৰণ আৰু অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কেও আলোচনা সন্নিৱিষ্ট হৈছে।

ইতিমধ্যে পূৰ্বৱৰ্তী ষাণ্মাসিকতে আমি উল্লেখ কৰি আহিছোঁ যে অসমীয়া ভাষা 'ভাৰতীয় আৰ্য' ভাষাৰ অন্তৰ্গত আৰু বাংলা তথা উড়িয়া ভাষাৰ লগত একে গোত্ৰৰ অন্তৰ্ভুক্ত। এই তিনিওটা সমগোত্ৰীয় ভাষা যদিও তাৰ মাজতে প্ৰত্যেকটো ভাষাৰে বিশিষ্টতা বিদ্যমান। সেই সম্পৰ্কে ধাৰণা প্ৰদান কৰিবলৈকে দুটা অধ্যায়ত অসমীয়াৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ তুলনামূলক অধ্যয়ন সন্নিৱিষ্ট কৰা হৈছে। এই পাঠ্যবিষয়খন অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ গঠন প্ৰণালী সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব।

এই গোটেই কেইটা বিষয়বস্তু সৰ্বমুঠ পোন্ধৰটা অধ্যায়ত সজোৱা হৈছে। আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়খনক মুঠ দুটা খণ্ডত ভাগ কৰা হৈছে; প্ৰথম খণ্ডত আঠটা অধ্যায় আৰু দ্বিতীয়টো খণ্ডত সাতটা অধ্যায় থাকিব।

খণ্ড পৰিচয় ঃ খণ্ড - ১

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই পাঠ্যবিষয়খনক সৰ্বমুঠ দুটা খণ্ডত বিভাজন কৰি লোৱা হৈছে আৰু প্ৰথম খণ্ডটোতো আঠটা অধ্যায় আছে। আমি সকলোৱে জানো যে পৃথিৱীৰ প্ৰতিটো ভাষাৰে নিজস্ব এক গঠন প্ৰণালী থাকে। সামগ্ৰিকভাৱে কোনো ভাষাৰ গঠন পদ্ধতিৰ প্ৰণালীৱদ্ধ বিশ্লেষণ আৰু বিৱৰণকে সেই ভাষাৰ ব্যাক�ৰণ বোলে। ব্যাকৰণৰ ব্যুৎপত্তিগত অৰ্থ তথা ব্যাকৰণৰ সংজ্ঞা সম্পৰ্কে বিভিন্ন সময়ত ভিন্ ভিন্ ভাষাবিদে নিজস্ব মত আগবঢ়াইছে। এই পাঠ্যবিষয়খনৰ প্ৰথমটো অধ্যায়ত ব্যাকৰণৰ বুৎপত্তিগত অৰ্থ, ব্যাকৰণৰ সংজ্ঞা, পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ; ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব; ব্যাকৰণৰ শ্ৰেণীবিভাগ; ব্যাকৰণৰ উপাদান; অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে।

ভাষাৰ মূল সামগ্ৰী ধ্বনি। ধ্বনিৰ অধ্যয়নৰ বাবে ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞান আদি কেইবাটাও শাখা আছে। পাঠ্যবিষয়খনৰ দ্বিতীয়টো অধ্যায় — ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়ত ধ্বনি মানে কি, ধ্বনিতত্ত্ব মানে কি সেই সম্পৰ্কে আলোচনা কৰাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ পৰিচয় দাঙি ধৰি স্বৰধ্বনি, ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। তৃতীয়টো অধ্যায় — অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত অসমীয়া ধ্বনিতত্ত্ব অন্তৰ্গত বিশিষ্ট স্বৰধ্বনি, বিশিষ্ট ব্যঞ্জনধ্বনি; অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি সম্পৰ্কে আলোচনা কৰা গৈছে।

ভাষা বিশ্লেষণৰ আন এটা উপাদান হ'ল — 'ৰূপতত্ত্ব'। ৰূপতত্ত্ব হ'ল শব্দ তথা পদ-গঠনৰ মৌলিক উপাদানবোৰৰ প্ৰণালীবদ্ধ বিৱৰণ। আমাৰ পঢ়াশলীয়া ব্যাকৰণবোৰত শব্দ-গঠন প্ৰক্ৰিয়া সম্বন্ধে যি আলোচনা পোৱা যায়, আধুনিক ভাষাবিজ্ঞানত তেনে বিষয়ৰ বিচাৰ-বিশ্লেষণকে 'ৰূপতত্ত্ব' আখ্যা দিয়া হৈছে। চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় প্ৰদান কৰি অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইবাটাও উল্লেখযোগ্য দিশ — বচন, লিংগ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সৰ্বনাম আৰু সৰ্বনামীয় ৰূপ, ক্ৰিয়া — সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰা হৈছে। অধ্যায় কেইটাৰ শিৰোনাম ক্ৰমে — চতুৰ্থ অধ্যায় ঃ ৰূপতত্ত্ব — সাধাৰণ পৰিচয়, পঞ্চম অধ্যায় ঃ ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ১, ষষ্ঠ অধ্যায় ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ২। এই অধ্যায় তিনিটা অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

সপ্তম অধ্যায়টোৰ শিৰোনাম হ'ল — অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনা। অধ্যায়টোৰ শিৰোনামৰ পৰাই আমি ধাৰণা কৰিব পাৰোঁ যে ইয়াত এই তিনিওটা ভাষাৰ ধ্বনিতত্ত্বৰ এক তুলনামূলক অধ্যয়ন প্ৰস্তুত কৰা গৈছে। আলোচনাৰ সুবিধাৰ্থে অধ্যায়টোৰ আৰম্ভণিতে অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয় দাঙি ধৰি উল্লেখ কৰা হৈছে যে এই তিনিওটা ভাষা একে গোত্ৰৰ অন্তৰ্গত আৰু এই বিষয়ে বিস্তৃতভাৱে আপুনি দ্বিতীয় ষাণ্মাসিকতে অধ্যয়ন কৰি আহিছে। এইখন পাঠ্যবিষয়ৰ বাবেও আপুনি সেয়া পুনৰ অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে। তাৰ পাছতেই বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ সম্যক পৰিচয় দাঙি ধৰি তিনিওটা ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক বিচাৰ কৰা হৈছে।

এই খণ্ডটোৰ শেষৰটো অৰ্থাৎ পাঠ্যবিষয়খনৰ অষ্টম অধ্যায়টো হ'ল —অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনা। ইয়াত পোনতে বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় দাঙি ধৰি অসমীয়া ভাষাৰ সৈতে এই দুয়োটা ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ কৰা গৈছে। এই দুয়োটা অধ্যায়ৰ অধ্যয়নে আপোনাক তিনিওটা ভাষা যে গাঁথনিক দিশত ওচৰ চপা সেই কথা বুজি উঠাত সহায় কৰিব।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।